লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ৩; জুলাই-ডিচেম্বৰ, ২০২১

# অনিন্দিতা কলিতাৰ কবিতা

## মোৰ কংক্ৰীটৰ সোঁভৰি

অকস্মাৎ
এচপৰা মেঘ

বিজুলীয়াই বিজুলীয়াই মোৰ
অ-কাঠ সোঁ-ভৰিৰ হাঁড়ৰ সুৰংগত

যাতনাৰে জী উঠিব নিদি প্ৰিয়ক
আৰ্তনাদ এটা টোমাই থ'লো

জীয়াবলৈ উশাহকণ নিজেই লওঁ
তেনেকৈ ৰ'দাই থওঁ
জেকা লগা সময়

ভৰি খনে নাজানে
ৰাতিবোৰ বিষ হৈ নিৰস সপোনক সজায়,
কেলেণ্ডাৰৰ তাৰিখবোৰ হাউলি নপৰে সহজে

মই জানো
কংক্ৰীটৰ হ'বলৈ সি সহিব লগা হ'ল
উফৰি যোৱা দহোটা চিৰিৰ চিঞৰ

ইয়াৰ বাবে ঈশ্বৰক জগৰীয়া কৰিব নোৱাৰো
হাঁড়ৰ সেই সুৰংগৰে

এতিয়াও সোমাই অহা নাই
আকাশীলতাৰ শিপা

মইতো তাহানিতেই ঢৌ আৰু ধুমুহাত যোৱা...।

## খিড়িকী

এখন খিড়িকী আছিল
নিজাকৈ আছিল এটুকুৰা আকাশ
নগৰীয়া আকাশ

সন্মুখৰ চাদত মেলি থোৱা কাপোৰবোৰ নাচি উঠিলে
বতাহ ব'লা

বিজুলী বাতিৰ সৈতে ফেৰ মাৰি
বিজুলীয়াই উঠা

ম'বাইল ফোনৰ টাৱাৰে ঢাকি পেলোৱা পাহাৰ খনক চুমি থকা এখন
আকাশ

খিড়িকী খনৰ নিগাজিকৈ আছিল এযোৰ চকু,
খোজ দিব নোৱাৰা দুভৰি
উচ্চাৰণ কৰিব নোৱাৰা এখন জিভা
অথচ
অনুভৱ কৰিব পৰা এখন হিয়া

সমস্ত এন্ধাৰ ঠেলি

দুচকু মেলি
খিড়িকী খনে শুহি লয়
এটা দিনৰ জীৱন

'জীয়াই থাকে'

চকুযুৰিৰ বাবে খিড়িকী খন প্ৰেম নহয়;
প্ৰয়োজন, উশাহ

ঘটিবলৈ থকা বহুতো ঘটনাই নঘটে
খিড়িকী খনত
নিয়মমাফিক পাৰ হয় সময়
দুখ বোৰ ঠেকেছি ধুবলৈ
খিড়িকী খনৰ নাথাকে এটি নৈপৰীয়া ঘাট
সুখৰ বাবে মিনাকৰা জোনাকী আকাশ

জিভাখনে ৰিঙিয়াব নোৱাৰে
পখিলা পখিলা শিশুবোৰক
পিয়াহত আইচক্ৰীমৱালাক
প্ৰয়োজনত সহায়

নোযোৱাকৈ পৰি থাকে নিমন্ত্ৰণৰ অলেখ চিঠি
নোকোৱাকৈ পৰি থাকে নিশাৰ কাহিনী

খিড়িকীখনতকৈ অলপ ওখ আন এখন খিড়িকীৰে
মই চাই থাকো
সেই প্ৰতিবন্ধী খিড়িকী খন

আধাফুটা জীৱন

আৰু ভয় খাওঁ
খোলা নোখোলাৰ খেলত
পুৱালৈ যদি হাৰি যায় খিড়িকী খন !!

**যোগাযোগৰ ঠিকনা:**
হেঙেৰাবাৰী
পো:অ: এল,পি, স্কুল
মোবাইল: ৬০০২১৫৮২৩৪